**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-08-2026
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। নীটৰ প্ৰতিবাদৰ সময়ত আৰক্ষীয়ে গ্ৰহণ কৰা ব্যৱস্থাকে ধৰি বিভিন্ন বিষয় লৈ সৃষ্টি হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে সংসদৰ উভয় সদনৰ কাম-কাজ আজিও ব্যাহত হয়।

২। প্ৰধানমন্ত্ৰী সূৰ্যঘৰ বিনামূলীয়া বিদ্যুৎ যোজনাৰ হিতাধিকাৰী পৰিয়ালৰ সংখ্যাই ৫০ লাখ অতিক্ৰম কৰিছে বুলি নতুন আৰু নৱীকৰণযোগ্য শক্তিমন্ত্ৰী প্ৰহ্লাদ যোশীয়ে প্ৰকাশ কৰিছে।

৩। উচ্চতম ন্যায়ালয়ে ২০২১ চনৰ লখিমপুৰ খেৰিৰ হিংসাত্মক ঘটনাৰ গোচৰত প্ৰধান অভিযুক্ত আশীষ মিশ্ৰৰ জামিনৰ চৰ্ত শিথিল কৰিবলৈ অস্বীকাৰ কৰিছে।

৪। প্ৰাক্তন বৈদেশিক পৰিক্ৰমা মন্ত্ৰী সুষমা স্বৰাজৰ আজি সপ্তম মৃত্যুবাৰ্ষিকী। *আৰু*

৫। ২০ বছৰ অনুৰ্ধ বিশ্ব এথলেটিক্স প্ৰতিযোগিতাত ভাৰতৰ আশীষ যাদৱ, টি ধৰণিধৰণ আৰু আমানত কমবোজে নিজ নিজ শিতানৰ ফাইনেল ৰাউণ্ডত প্ৰৱেশ কৰিছে।

০০০০০০০

চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমত নামভৰ্তিৰ পৰীক্ষা- নীটক লৈ প্ৰতিবাদ সাব্যস্ত কৰা শিক্ষাৰ্থীসকলৰ বিৰুদ্ধে আৰক্ষীয়ে গ্ৰহণ কৰা ব্যৱস্থাকে ধৰি বিভিন্ন বিষয় লৈ সৃষ্টি হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে সংসদৰ উভয় সদনৰ কাম-কাজ আজিও ব্যাহত হয়। লোকসভা দিনৰ ১১ বজাত মিলিত হোৱাৰ সময়ত সদনে জাপানৰ হিৰোছিমা আৰু নাগাচাকিৰ পাৰমাণৱিক বোমা বিস্ফোৰণৰ বলি হোৱা লোকসকললৈ শ্ৰদ্ধা নিবেদন কৰে। অধ্যক্ষ ওম বিৰলাই কয়, যে এই বিস্ফোৰণে আজি ৮১ সংখ্যক বৰ্ষ সম্পূৰ্ণ কৰিলে। তেওঁ কয়, যে ১৯৪৫ চনৰ ৬ আৰু ৯ আগষ্টত চহৰ দুখনত নিক্ষেপ কৰা  পাৰমাণৱিক বোমাৰ বিস্ফোৰণৰ ফলত লাখ লাখ নিৰীহ লোক নিহত হৈছিল আৰু অগণন লোক আহত হৈছিল। এই ঘটনাৰ পাছত সমগ্ৰ বিশ্ব প্ৰথমবাৰৰ বাবে পাৰমাণৱিক অস্ত্ৰৰ বিধবংসী প্ৰভাৱৰ বিষয়ে অৱগত হৈছিল বুলি শ্ৰীবিৰলাই মন্তব্য কৰে। অধ্যক্ষগৰাকীয়ে কয়, যে সদন গণ বিধবংসী অস্ত্ৰ-শস্ত্ৰ মুক্ত বিশ্বৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ লগতে গোলকীয় শান্তি আৰু সমন্বয় সুনিশ্চিত কৰাৰ বাবে পাৰমাণৱিক অস্ত্ৰ আঁতৰ কৰাৰ বাবে সমূহীয়াভাৱে কাম কৰিবলৈ সংকল্প লয়।

**বাইট (ওম বিৰলা)**

সদনে লগতে হিৰোছিমা আৰু নাগাচাকিৰ পাৰমাণৱিক বোমা বিস্ফোৰণৰ বলি হোৱা লোকসকলৰ স্মৃতিত মৌনতা অৱলম্বন কৰে। ইয়াৰ পাছতে অধ্যক্ষ ওম বিৰলাই প্ৰশ্নকালৰ কাম-কাজ চলাই নিয়াৰ চেষ্টা চলায় যদিও বিৰোধী পক্ষৰ সদস্যসকলে শিক্ষাৰ্থীৰ প্ৰতিবাদৰ সময়ত আৰক্ষীয়ে গ্ৰহণ কৰা ব্যৱস্থা বিষয়টো উত্থাপন কৰে। বিৰোধী সাংসদসকলে বিষয়টো সন্দৰ্ভত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বিবৃতি দিব লাগে বুলি দাবী জনায়। অধ্যক্ষই

কয় যে প্ৰশ্নকাল সংসদৰ কাৰ্যক্ৰমণিকাৰ গুৰুত্বপূৰ্ণ অংশ আৰু প্ৰশ্নকালত প্ৰতিগৰাকী সদস্যই নিজৰ বিষয় উত্থাপনৰ সুযোগ লাভ কৰে। তেওঁ লগতে কয় যে সংসদ আলোচনা, প্ৰশ্ন উত্থাপন আৰু আৰধাৰণাৰ অৰ্থবহ্ বিনিময়ৰ মাধ্যম। ইয়াৰ পাছতো অচলাৱস্থা অব্যাহত থকাত অধ্যক্ষই সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

ৰাজ্যসভাতো শিক্ষাৰ্থীৰ প্ৰতিবাদৰ সময়ত আৰক্ষীয়ে গ্ৰহণ কৰা ব্যৱস্থাকে ধৰি বিভিন্ন বিষয় লৈ বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে কাম-কাজ ব্যাহত হয়। কাৰ্যক্ৰমণিকা প্ৰথম বাৰৰ বাবে স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত সভাপতি চি পি ৰাধাকৃষ্ণণে বিৰোধী পক্ষৰ হুলস্থূলৰ মাজতে প্ৰশ্নকাল আৰম্ভ কৰে। পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱাটে পাহাৰীয়া আৰু সীমামূৰীয়া অঞ্চলৰ আন্তঃগাঁথনি সম্পৰ্কীয় এটা প্ৰশ্নৰ উত্তৰ দিয়ে। ইয়াৰ পাছতে আইন আৰু ন্যায় ৰাজ্য মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে আদালতৰ বিভিন্ন খালী পদ সম্পৰ্কীয় এটা প্ৰশ্নৰ উত্তৰ দিয়ে। বিৰোধী পক্ষৰ সদস্যসকলে বিভিন্ন বিষয় লৈ শ্লোগান অব্যাহত ৰখাত সভাপতিয়ে সদনৰ কাম-কাজ দিনৰ ২ বাজি ১৫ মিনিটলৈ স্থগিত ৰাখে। ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত সদন মিলিত হোৱাৰ সময়ত বাণিজ্য, উদ্যোগ আৰু সাৰ তথা ৰসায়ন বিষয়ক সংসদীয় স্থায়ী কমিটীৰ প্ৰতিবেদন উত্থাপন কৰা হয়। ইয়াৰ পাছতে সভাপতিয়ে শূন্যকালৰ কাম-কাজ আৰম্ভ কৰে আৰু কেইবাগৰাকীও সাংসদে জৰুৰী বিষয় উত্থাপন কৰে। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয় যে প্ৰতিগৰাকী সদস্যই সদনৰ গৰিমা বৰ্তাই ৰাখিব বুলি আৰু সংশ্লিষ্ট বিষয় সন্দৰ্ভত আশা কৰা হয়। তেওঁ কয় যে প্ৰতিগৰাকী সদস্যই মুক্তভাৱে নিজৰ মন্তব্য ৰখাৰ অধিকাৰ আছে, যদিও নিয়ম আধাৰিত আৰু অৰ্থবহ প্ৰক্ৰিয়াৰ মাজেৰে এয়া কৰা উচিত। ইয়াৰ পাছতো অচলাৱস্থা অব্যাহত থকাত সভাপতিয়ে সদনৰ কাম-কাজ দুপৰীয়া ১২ বজালৈ স্থগিত ৰাখে।

oooooo

প্ৰধানমন্ত্ৰী সূৰ্যঘৰ বিনামূলীয়া বিদ্যুৎ যোজনাৰ হিতাধিকাৰী পৰিয়ালৰ সংখ্যাই ৫০ লাখ অতিক্ৰম কৰিছে বুলি নতুন আৰু নৱীকৰণযোগ্য শক্তিমন্ত্ৰী প্ৰহ্লাদ যোশীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত আয়োজিত ভাৰতীয় উদ্যোগ মহাসংঘৰ আন্তঃৰাষ্ট্ৰীয় শক্তি সন্মিলন আৰু প্ৰদৰ্শনীত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয়, যে সম্প্ৰতি ১৯ লাখ পৰিয়ালৰ বিদ্যুৎ মাচুল শূন্য হৈছে। শ্ৰীযোশীয়ে কয়, যে এই আঁচনিৰ জৰিয়তে ১২ লাখৰো অধিক পৰিয়ালে ৰাহি বিদ্যুৎ বিক্ৰী কৰি ৪২১ কোটি টকা উপাৰ্জন কৰিছে। অজীৱাশ্ম ইন্ধন সামৰ্থ সন্দৰ্ভত মত প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে দেশ ২০৩০ চনৰ ভিতৰত ৫০০ গিগাৱাট এনে শক্তি আহৰণৰ দিশে অগ্ৰসৰ হৈছে। খণ্ডটোৰ বিভিন্ন প্ৰত্যাহ্বান দূৰ আৰু নতুন সুযোগৰ অন্বেষণ কৰিবলৈ উদ্যোগ জগতৰ অংশীদাৰসকলৰ সৈতে ঘনিষ্ঠ আলোচনাৰ প্ৰতি চৰকাৰ বদ্ধপৰিকৰ বুলি মন্ত্ৰীগৰাকীয়ে দোহাৰে।

**বাইট (যোশী)**

oooooo

উচ্চতম ন্যায়ালয়ে ২০২১ চনত উত্তৰ প্ৰদেশৰ লখিমপুৰ খেৰিত সংঘটিত হিংসাত্মক ঘটনাৰ গোচৰত প্ৰধান অভিযুক্ত আশীষ মিশ্ৰৰ জামিনৰ চৰ্ত শিথিল কৰিবলৈ অস্বীকাৰ কৰিছে। মুখ্য ন্যায়াধীশ সূৰ্যকান্ত, ন্যায়াধীশ জয়মাল্য বাগচি আৰু ভি মোহনাৰে গঠিত বিচাৰপীঠে অভিযুক্তজনৰ জামিনৰ চৰ্ত শিথিল কৰাৰ আবেদন খাৰিজ কৰে। অভিযুক্তৰ অধিবক্তাই প্ৰকাশ কৰা মতে, মিশ্ৰৰ ওপৰত থকা বৰ্তমানৰ নিষেধাজ্ঞাৰ বাবে তেওঁ কন্যা সন্তানৰ জন্মদিন উদযাপনকে ধৰি পাৰিবাৰিক অঅনুষ্ঠানসমূহত উপস্থিত থাকিব নোৱাৰে। মুখ্য ন্যায়াধীশে এই আবেদন খাৰিজ কৰি

কয় যে গোচৰটোৰ  বৰ্তমানৰ পৰ্যায়ৰ এই আবেদন গ্ৰহণ কৰাৰ কোনো ভিত্তি নাই। উল্লেখযোগ্য যে ২০২১ চনৰ ৩ অক্টোবৰত উত্তৰ প্ৰদেশৰ লখিমপুৰৰ খেৰি জিলাৰ টিকুণিয়া গাঁৱত উপ মুখ্যমন্ত্ৰী কেশৱ প্ৰসাদ মৌৰ্যৰ ভ্ৰমণৰ বিৰুদ্ধে কৃষকসকলৰ প্ৰতিবাদৰ সময়ত এই হিংসাত্মক ঘটনা সংঘটিত হৈছিল। ঘটনাত ৪ গৰাকী কৃষককে ধৰি মুঠ ৮ জন লোকৰ মৃত্যু হৈছিল। ফৰিয়াদি পক্ষৰ অধিবক্তাই  উত্থাপন কৰা অভিযোগ অনুসৰি এখন এছ ইউ ভি বাহনে ৪ জন কৃষকক খুন্দা মৰাৰ পাছতে হিংসাত্মক পৰিস্থিতিত এজন গাড়ী চালক, দুজন বিজেপি কৰ্মী আৰু এগৰাকী সাংবাদিকে প্ৰাণ হেৰুৱাইছে। এই গোচৰৰ অভিযুক্তসকলৰ ভিতৰত আশীষ মিশ্ৰ অন্যতম।

০০০০০০

প্ৰাক্তন বৈদেশিক পৰিক্ৰমা মন্ত্ৰী সুষমা স্বৰাজৰ আজি সপ্তম মৃত্যুবাৰ্ষিকী। এই উপলক্ষে লোকসভাৰ অধ্যক্ষ ওম বিৰলা আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি প্ৰাক্তন বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। লোকসভাৰ অধ্যক্ষ বিৰলাই সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে প্ৰয়াত স্বৰাজে তেওঁৰ বাকপটুতা, সংবেদনশীল নেতৃত্ব আৰু ৰাষ্ট্ৰৰ স্বাৰ্থৰ প্ৰতি অভূতপূৰ্ব নিষ্ঠাৰ বলত ভাৰতীয় ৰাজনীতিত সুকীয়া স্থান অৰ্জন কৰিবলৈ সমৰ্থ হৈছিল। তেওঁ কয়, যে নেত্ৰীগৰাকীৰ ৰাষ্ট্ৰৰ সেৱাৰ প্ৰতি উৎসৰ্গাৰ মনোভাৱ, কৰ্মশৈলী আৰু জনকল্যাণৰ প্ৰতি প্ৰতিশ্ৰবদ্ধতা সদায় প্ৰেৰণাৰ উৎস হৈ ৰ'ব।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এটা বাৰ্তাযোগে সুষমা স্বৰাজক উদাৰতা আৰু সৰলতাৰ প্ৰতিমূৰ্তি বুলি অভিহিত কৰে। তেওঁ কয়, যে প্ৰাক্তন বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে নিয়মানুৱৰ্তিতা, সততা আৰু অদম্য সাহসেৰে সংগঠনৰ পৰা চৰকাৰলৈ সকলো দায়িত্ব নিষ্ঠা সহকাৰে পালন কৰিছিল। তেওঁ কয়, যে বিদেশ মন্ত্ৰালয়ক জনসাধাৰণৰ সৈতে সংযুক্ত কৰা প্ৰয়াত স্বৰাজৰ সৰল জীৱন আৰু কৰ্মশৈলী সদায় স্মৰণীয় হৈ ৰ'ব।

০০০০০০

আমেৰিকাৰ ইউ জিৰোত অনুষ্ঠিত ২০ বছৰ অনুৰ্ধ বিশ্ব এথলেটিক্স প্ৰতিযোগিতাত ভাৰতৰ জেভলীন থ্ৰোৱাৰ আশীষ যাদৱ, টি ধৰণিধৰণ,  আৰু ডিস্কাছ থ্ৰোৱাৰ আমানত কমবোজে নিজ নিজ ইভেণ্টৰ অন্তিম ৰাউণ্ডত স্থান দখল কৰিছে। আশীষে পুৰুষৰ জেভলীন গ্ৰুপ এত আকৰ্ষণীয় প্ৰদৰ্শন আগবঢ়াই ৬৯ দশমিক ৮-৭ মিটাৰ দূৰত্বলৈ দলিয়াই শীৰ্ষস্থান দখল কৰে। ৭৬ দশমিক ০-২ মিটাৰ দূৰত্বলৈ দলিয়াই গ্ৰুপ বিৰ শীৰ্ষ স্থান দখল কৰা দক্ষিণ আফ্ৰিকাৰ  জেন হেদ্ৰিক হেইমেনছৰ পাছতে তেওঁ সামগ্ৰিকভাৱে দ্বিতীয় স্থান দখল কৰে। ১৯ বছৰীয়া যাদৱে ৭৬ দশমিক ৪-৯ মিটাৰ দূৰত্বলৈ দলিয়াই ব্যক্তিগত আৰু ছিজনৰ শ্ৰেষ্ঠ প্ৰদৰ্শনৰ গৌৰৱ অৰ্জন কৰিছে। ইপিনে, টি ধৰণীধৰণে সামগ্ৰিকভাৱে ১২ নম্বৰ স্থান দখল কৰিছে। গ্ৰুপ বিত তেওঁ ৬৮ দশমিক ০-৭ মিটাৰ দূৰত্বলৈ দলিয়াই পঞ্চম স্থানত থাকে। মহিলাৰ ডিস্কাছ থ্ৰোত আমানত ৫২ দশমিক ৫-৮ মিটাৰ দূৰলৈ দলিয়াই গ্ৰুপ এৰ যোগ্যতা নিৰ্ণয়কাৰী ৰাউণ্ডত ষষ্ঠ স্থানত থাকে।

০০০০০০

সমাপ্ত